“তোমালোকে (পাৰ্থিৱ বিষয়ত) তোমালোকতকৈ নিম্ন শ্ৰেণীৰ ব্যক্তিৰ প্ৰতি দৃষ্টিপাত কৰিবা, তোমালোকতকৈ উচ্চ শ্ৰেণীৰ ব্যক্তিৰ ফালে নহয়। এইটো কৰিলে বেছি উপযুক্ত যে, আল্লাহে তোমালোকক যি নিয়ামত প্ৰদান কৰিছে, সেইবোৰ তোমালোকৰ দৃষ্টিত নগণ্য বুলি গণ্য নহ'ব।”

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “তোমালোকে (পাৰ্থিৱ বিষয়ত) তোমালোকতকৈ নিম্ন শ্ৰেণীৰ ব্যক্তিৰ প্ৰতি দৃষ্টিপাত কৰিবা, তোমালোকতকৈ উচ্চ শ্ৰেণীৰ
ব্যক্তিৰ ফালে নহয়। এইটো কৰিলে বেছি উপযুক্ত যে, আল্লাহে তোমালোকক যি নিয়ামত
প্ৰদান কৰিছে, সেইবোৰ তোমালোকৰ দৃষ্টিত নগণ্য বুলি গণ্য নহ'ব।”
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে নিৰ্দেশ দিছে যে, মুছলিম ব্যক্তিয়ে দুনিয়াৱী ক্ষেত্ৰত, ধন-সম্পদ, পদ-মৰ্যাদা আদিৰ ক্ষেত্ৰত নিজতকৈ নিম্ন শ্ৰেণীৰ লোকৰ ফালে চোৱা উচিত। এইবোৰ ক্ষেত্ৰত নিজতকৈ উচ্চ শ্ৰেণীৰ লোকৰ প্ৰতি মনোযোগ দিয়া উচিত নহয়। কাৰণ নিজতকৈ নিম্ন শ্ৰেণীৰ লোকৰ ফালে দৃষ্টিপাত কৰিলে আল্লাহে যি নিয়ামত প্ৰদান কৰিছে তাৰ গুৰুত্ব বুজা যাব, তথা সেইবোৰ নিয়ামতক তুচ্ছ জ্ঞান কৰাৰ পৰা বিৰত থাকিব পৰা যাব।

https://sunnah.global/hadeeth/as/show/5341